# অধ্যক্ষৰ ভাষণ

মোৰ শ্ৰদ্ধাৰ অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেডৰ অংশীদাৰসকল, সু-প্ৰভাত।

ভাৰত চৰকাৰৰ ক'ৰপৰেট এফেয়াৰ্চ মন্ত্ৰালয়ে জাৰি কৰা সাধাৰণ জাননী নং. ৯/২০২৪ তাৰিখ ১৯ ছেপ্তেম্বৰ, ২০২৪ ৰ মতে অসম পেট্ৰ'কেমিকেলচ্ লিমিটেডৰ ভিডিঅ' কনফাৰেঞ্চ অথবা অন্যান্য দৃশ্য-শ্ৰাব্য মাধ্যমেৰে অনুষ্ঠিত হোৱা ৫৪ নং বাৰ্ষিক সাধাৰণ সভালৈ আপোনালোকক সাদৰৰে আদৰণি জনাবলৈ পাই মই আনন্দিত হৈছো। আপোনালোকক মই ব্যক্তিগত ভাৱে লগ পোৱা হ'লে আৰু অধিক আনন্দ অনুভৱ কৰিলো হয়, কিন্তু ভিডিঅ' কনফাৰেঞ্চ অথবা দৃশ্য-শ্ৰাব্য মাধ্যমেৰে অনুষ্ঠিত হোৱা এনে সভাই মিতব্যয়ীতাৰে অধিকলোকক আৰু সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ সুযোগ প্ৰদান কৰে। অসম পেট্ৰ'-কেমিকেলচ্‌ৰ ৫৪ নং বাৰ্ষিক সাধাৰণ সভাখন কোম্পানী আইনৰ বিধি নং ১৯৬ অনুসৰি কোম্পানীটোৰ পঞ্জীকৃত কাৰ্যালয়ত অনুষ্ঠিত হোৱা বুলি গণ্য কৰা হ'ব।

আপোনালোক সকলোৱে ৫৪ নং বাৰ্ষিক সাধাৰণ সভাত অংশ গ্ৰহণ কৰাৰ বাবে অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেডৰ সঞ্চালকমণ্ডলীৰ হৈ সকলোকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আমাৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদনত সন্নিৱিষ্ট থকা বাৰ্ষিক সাধাৰণ সভাৰ জাননী, সঞ্চালক মণ্ডলীৰ প্ৰতিবেদন আৰু বাৰ্ষিক বিত্তীয় প্ৰতিবেদন আদি আপোনালোকলৈ যোৱা ২ ছেপ্তেম্বৰ, ২০২৫ দিনা প্ৰেৰণ কৰা হৈছে। আপোনালোকৰ অনুমতি সাপেক্ষে এই সকলোবোৰ পাঠ কৰা হ'ল বুলি মই ধৰি লৈছো।

এইখিনিতে মই উল্লেখ কৰিব বিচাৰিছো যে, কোম্পানী আইন, ২০১৩ ৰ ১৩৯ নং বিধি অনুসৰি ভাৰতবৰ্ষৰ হিচাব নিয়ন্ত্ৰক আৰু মহা নিৰীক্ষক পৰিক্ষকে আমাৰ ২০২৪-২৫ বৰ্ষৰ বিত্তীয় প্ৰতিবেদনৰ অতিৰিক্তভাৱে হিচাব পৰীক্ষণ সমাপ্ত কৰে। তেওঁলোকে যদিও এই হিচাব

পৰীক্ষণ সমাপ্ত কৰে, কিন্তু তেওঁলোকৰ মন্তব্য আমি যথা সময়ত নোপোৱাৰ বাবে আমি ইয়াক আপোনালোকৰ মাজত যোৱা বিত্তীয় বৰ্ষৰ হিচাবৰ প্ৰতিবেদনৰ লগত সংযোজন কৰি দিব নোৱাৰিলো। আমি ভাৰতবৰ্ষৰ হিচাব নিয়ন্ত্ৰক আৰু মহা নিৰীক্ষকৰ মন্তব্য আমাৰ website ত যোৱা ২৪ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে প্ৰকাশ কৰিলো আৰু উক্ত প্ৰতিবেদন আপোনালোকে ইতিমধ্যেই লাভ কৰিছে বুলি ধৰি লৈছো।

শ্ৰদ্ধাৰ অংশীদাৰ সকল, আপোনালোকৰ এই প্ৰতিষ্ঠানটোৰ যোৱা বিত্তীয়বৰ্ষৰ মুঠ উৰ্পাজনৰ পৰিমাণ আগৰ বছৰৰ ৮৭.৮১ কোটিৰ বিপৰীতে ৪১৩.২৮ কোটি আছিল। ইয়াৰ ভিতৰত মিথানল বিক্ৰী কৰি পোৱা আয়ৰ পৰিমাণ আছিল ৩৩৫.৮২ কোটি আৰু ফৰ্মেলিন বিক্ৰী কৰি পোৱা আয়ৰ পৰিমাণ আছিল ৭৭.৮৫ কোটি টকা। আপোনালোক জ্ঞাত যে, আমি অকল মিথানল আৰু ফৰ্মেলিন ব্যৱসায়ৰ লগতে জড়িত আৰু ইয়াৰ বিক্ৰীয়েই আমাৰ আয়ৰ মূল উৎস। যোৱা বিত্তীয় বৰ্ষ ২০২৪-২৫ ৰ বিভিন্ন শিতানত কৰা ব্যয়ৰ মুঠ পৰিমাণ আগৰ বৰ্ষৰ ৮৯.৫০ কোটি টকাৰ বিপৰীতে ৭১৯.১২ কোটি আছিল।

এইখিনিতে মই আপোনালোকক জনাবলৈ পাই সুখ অনুভৱ কৰিছো যে, আমাৰ ৫০০ টন দৈনিক উৎপাদনক্ষম মিথানল প্ৰকল্পটো ১৫ মে’ ২০২৪ তাৰিখৰ পৰা সম্পূৰ্ণ বাণিজ্যিকভাৱে উৎপাদনক্ষম হ’ল বুলি ধৰা হৈছে। দৈনিক ৫০০ টন উৎপাদনক্ষম মিথানল প্ৰকল্পৰ উৎপাদিত মিথানল বিক্ৰী কৰি পোৱা আয় আৰু ইয়াত হোৱা উৎপাদন ব্যয় আদি ১৫ মে, ২০২৪ তাৰিখৰ পৰা আমাৰ ৰাজহ হিচাপে গন্য কৰা হৈছে। যোৱা বিত্তীয় বৰ্ষৰ ১৫ তাৰিখৰ পৰা যিহেতু আমাৰ দুয়োটা মিথানল প্ৰকল্পৰ উৎপাদিত মিথানল আৰু ইয়াৰ উৎপাদন ব্যয় আমাৰ ৰাজহ হিচাপ (revenue account) ত ধৰা হৈছে, তাৰ বাবে আমাৰ ৰাজহ আৰু ব্যয়ৰ পৰিমান পূৰ্বৰ বৰ্ষৰ তুলনাত যথেষ্ট বৃদ্ধি হৈছে।

প্ৰাকৃতিক গেছৰ মূল্য হৈছে মিথানল উৎপাদন ব্যয়ৰ অন্যতম মূখ্য অংশ। প্ৰাকৃতিক গেছ, ইয়াৰ পৰিবহন ব্যয় আৰু উৎপাদন প্ৰক্ৰিয়াত ব্যৱহৃত হোৱা ভিন্ন প্ৰকাৰৰ ৰাসায়নিক পদাৰ্থ ব্যয়ৰ মুঠ পৰিমাণ যোৱা বিত্তীয় বৰ্ষত আছিল ৪৪০.৫৪ কোটি টকা। যোৱা বিত্তীয় বৰ্ষ

২০২৪-২৫ চনত প্ৰাকৃতিক গেছ, ইয়াৰ পৰিবহন ব্যয় আৰু উৎপাদনত ব্যৱহৃত বিভিন্ন ৰাসায়নিক সামগ্ৰীৰ পৰিমাণ হৈছে মুঠ ব্যয়ৰ প্ৰায় ৬১% আৰু বছৰটোৰ মুঠ আয়ৰ ১০৫%। দৈনিক ৫০০ টন উৎপাদনক্ষম প্ৰকল্পটোত প্ৰতি টন মিথানল উৎপাদনৰ বাবে হোৱা ব্যয়ৰ পৰিমাণ সামগ্ৰিকভাৱে সামান্য পৰিমানে হ্ৰাস হোৱা পৰিলক্ষিত হৈছে।

শ্ৰদ্ধাৰ অংশীদাৰসকল, আপোনালোক জ্ঞাত যে, অসম পেট্ৰ'- কেমিকেলচ্ লিমিটেডে ভাৰত চৰকাৰৰ তেল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে নিৰ্ধাৰিণ কৰি দিয়া হাৰত প্ৰাকৃতিক গেছ ক্ৰয় কৰে। যোৱা বিত্তীয় বৰ্ষটোত অইল ইণ্ডিয়া লিমিটেডে আমাক ৯০.১৪ % APM প্ৰাকৃতিক গেছ ৬.৫ মাৰ্কিনডলাৰ প্ৰতি মেট্ৰিক মিলিয়ন বৃট্ৰিছ থাৰ্মেল ইউনিট (MMBTUআৰু ৯.৮৬% মূল্যত আৰু Non APM প্ৰাকৃতিক গেছ ৭.২৭ মাৰ্কিন ডলাৰ প্ৰতি মেট্ৰিক মিলিয়ন বৃটিছ থাৰ্মেল ইউনিট দৰত যোগান ধৰে।

শ্ৰদ্ধাৰ অংশীদাৰসকল, যোৱা বিত্তীয় বৰ্ষত বহিঃৰাষ্ট্ৰৰ পৰা আমদানিকৃত মিথানলৰ মূল্য ভাৰতীয় বজাৰত নিম্নগামী হোৱাৰ বাবে আমাৰ উৎপাদিত মিথানলৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰে। এফালে আমাৰ উদ্যোগটোৰ কেঁচামাল প্ৰাকৃতিক গেছৰ অস্বাভাৱিক মূল্য বৃদ্ধি আৰু উৎপাদিত সামগ্ৰীৰ নিম্নগামী বজাৰ দৰে আমাৰ মিথানলৰ মূল্য নিম্নগামী হোৱাৰ বাবে আপোনালোকৰ কোম্পানীটোৰ বাৰ্ষিক আয় আৰু ব্যয়ত ব্যাপক প্ৰভাৱ পৰে আৰু বছৰটোত সৰ্বমুঠ ৩০৪.৪৭ কোটিৰ লোকচানৰ সন্মুখীন হ'ব লগা হ'ল। অৱশ্যে ইয়াৰ ভিতৰত ৭৮.২২ কোটি টকা আঁচবাব আৰু যন্ত্ৰাংশৰ অৱমূল্যায়নৰ হিচাবো ইয়াত সন্নিৱিষ্ট আছে।

বহিঃৰাষ্ট্ৰৰ পৰা আমদানিকৃত মিথানলৰ ওপৰত নিৰ্ভৰশীল ভাৰতে প্ৰায় ৯৬% মিথানল চাহিদা আৰব দেশসমূহৰ পৰা আমদানিকৃত মিথানলে পূৰণ কৰে। আজিৰ তাৰিখত ভাৰতৰ অন্যান্য মিথানল উৎপাদনকাৰী প্ৰতিস্থান সমূহে মিথানল উৎপাদনত ব্যৱহৃত হোৱা প্ৰাকৃতিক গেছ অৰ্থাৎ কেঁচামালৰ বজাৰমূল্য অধিক হোৱাৰ বাবে আৰু উৎপাদিত মিথানলৰ বিক্ৰী মূল্য কম হোৱাৰ বাবে তেওঁলোকে মিথানলৰ উৎপাদন বন্ধ কৰি ৰাখিছে। অৰ্থাৎ অৱশিষ্ট ৪% ভাৰতৰ ঘৰুৱা মিথানল চাহিদা অসম পেট্ৰ'কেমিকেলছ লিমিটেডে পুৰণ কৰিছে। প্ৰাকৃতিক গেছৰ অভাৱনীয় মূল্য বৃদ্ধিৰ ফলত যোৱা বিত্তীয় বৰ্ষত অসম পেট্ৰ'-কেমিকেলছে বৃহৎ পৰিমাণত

লোকচানৰ সন্মুখীন হ'ব লগা হোৱাৰ মাজতো অসম পেট্ৰ'-কেমিকেলচ্ সমগ্ৰ দেশৰ ভিতৰতে এক মাত্ৰ মিথানল উৎপাদনকাৰী সংস্থা ৰূপে পৰিগণিত হৈছে।

আপোনালোক জ্ঞাত যে, আমাৰ দৈনিক ১০০ টন উৎপাদনক্ষম আৰু ৫০০ টন উৎপাদনক্ষম মিথানল প্ৰকল্পত উৎপাদনহোৱা মিথানল মূখ্য উৎপাদিত সামগ্ৰী অন্যহাতে ১২৫ টন দৈনিক উৎপাদনক্ষম প্ৰকল্পত উৎপাদিত ফৰ্মেলিন হৈছে আমাৰ এক মূল্য সংবৰ্দ্ধিত ভটিয়নি উৎপাদন গোট। আপোনালোকৰ এই প্ৰতিস্থানটোৱে যোৱা বিত্তীয় বৰ্ষ ২০২৪-২৫ মুঠ ১,৬৭,৮৫৯ মেট্ৰিকটন মিথানল উৎপাদন কৰে। এই উৎপাদন যোৱা বৰ্ষৰ তুলনাত প্ৰায় ৩৭ %অধিক। আমাৰ দৈনিক ১০০ টন মিথানল উৎপাদনক্ষম প্ৰকল্পটো ৩৬ বছৰ পুৰণি যদিও আমি যোৱা বিত্তীয় বৰ্ষটোত প্ৰায় ১০০ % উৎপাদনক্ষম কৰি ৰাখিবলৈ সক্ষম হৈছো। কিছুমান জটিল কাৰিকৰী অসুবিধাৰ বাবে আমাৰ দৈনিক ৫০০ টন মিথানল উৎপাদনক্ষম মিথানল প্ৰকল্পটো ১০০ % উৎপাদনক্ষম কৰি তুলিব নোৱাৰিলো। ১০০ % উৎপাদনশীল কৰিবৰ বাবে আমাৰ LEPCM contractor, EIL, Bharat Heavy Engineers India Ltd., আৰু আমাৰ প্ৰযুক্তি যোগানকাৰী সংস্থা Halder Topsoe ৰ লগত যোগাযোগ অব্যাহত ৰাখিছো। আশা কৰিছো শীঘ্ৰেই ১০০% কাৰ্যক্ষম কৰি তুলিবলৈ সক্ষম হ'ম।

শ্ৰদ্ধাৰ অংশীদাৰসকল, ইতিমধ্যে উল্লেখ কৰাৰ দৰে ফৰ্মেলিন হৈছে মিথানলৰ মূল্যসংযোজিত ভটিয়নী উৎপাদন গোট। নামৰূপত থকা দৈনিক ১২৫ টন উৎপাদনক্ষম ভটিয়নী ফৰ্মেলিন গোট আৰু ৰানীনগৰস্থিত দৈনিক ২৫ মেট্ৰিকটন উৎপাদনক্ষম প্ৰকল্পত উৎপাদন কৰো। এই দুয়োটা প্ৰকল্পৰ যোৱা বছৰটোত ১০৭ % আৰু ৮৪ % উৎপাদনক্ষম কৰি ৰাখিব সক্ষম হওঁ। যোৱা বিত্তীয় বৰ্ষটোত আমি মুঠ ৪০,৮১৬ মেট্ৰিকটন ফৰ্মেলিন উৎপাদন কৰো।

অংশীদাৰসকল, আমি মিথানল আৰু ফৰ্মেলিন দুয়োটা উৎপাদ উত্তৰ পূৰ্বাঞ্চল, পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড, উড়িছা, উত্তৰ প্ৰদেশ আদি ৰাজ্য আৰু আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ নেপাল, ভূটান আৰু বাংলাদেশলৈ ৰপ্তানি কৰো। আপোনালোকে জানি সুখী হ'ব যে, আমি আমাৰ উৎপাদিত মিথানল দক্ষিণ আৰু পশ্চিম ভাৰতত অৱস্থিত বিভিন্ন Solvent আৰু ঔষধ উৎপাদক

প্ৰতিষ্ঠানত বৰ্দ্ধিত মূল্যত যোগান ধৰি অতিৰিক্ত আয় অৰ্জন কৰিব পাৰিছো। যোৱা ২০২৪-২৫ বৰ্ষত মুঠ ১,৪৪,৬৬৮ মেট্ৰিকটন মিথানল পূৰ্বৰ ৭৪,৫৬৯ মেট্ৰিক টনৰ বিপৰীতে বিক্ৰি কৰো। এই বৰ্দ্ধিত পৰিমাণৰ উৎপাদিত মিথানল বিক্ৰী সম্ভৱ হৈ উঠিছে আমাৰ ৫০০ টন দৈনিক উৎপাদনক্ষম মিথানল প্ৰকল্পৰ বাবে।

শ্ৰদ্ধাৰ অংশীদাৰসকল, আপোনালোক সকলো অৱগত যে, নামৰূপত ৫০০ টন দৈনিক উৎপাদনক্ষম মিথানল প্ৰকল্পৰ সমান্তৰালভাৱে বঙাইগাওঁ জিলাৰ বইটামাৰীত দৈনিক ২০০ টন উৎপাদনশীল ফৰ্মেলিন প্ৰকল্পৰ কামো চলি আছিল।

আপোনালোকক জনাবলৈ পাই আনন্দ অনুভৱ কৰিছো যে, নিৰ্মীয়মান ২০০ টন উৎপাদনশীল ফৰ্মেলিন প্ৰকল্পটোৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু যোৱা ইং ৩ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে প্ৰকল্পটি কাৰ্যক্ষম হৈ উৎপাদনমুখী হৈ উঠিছে।

২০০টন উৎপাদনশীল বইটামাৰী প্ৰকল্পটো কাৰ্য্যক্ষম আৰু উৎপাদনশীল হোৱাৰ পৰৱৰ্ত্তী সময়ত অসম চৰকাৰৰ মাননীয় উদ্যোগ মন্ত্ৰী শ্ৰীযুত বিমল বড়া ডাঙৰীয়া আৰু অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক সাক্ষাৎ কৰি প্ৰকল্পটো দেশ আৰু ৰাজ্যবাসীক আনুষ্ঠানিকভাৱে উৎসৰ্গা কৰিবৰ বাবে আমন্ত্ৰণ জনাওঁ।

উৎপাদিত সামগ্ৰীৰ পৰিবহন, যোগাযোগ আৰু বিক্ৰিৰ সুচলতাৰ প্ৰতি লক্ষ্য ৰাখি ২০০ টন উৎপাদনক্ষম ফৰ্মেলিন প্ৰকল্পৰ লগতে এটা Transhipment centre ও নিমাৰ্ণ কৰি থকা হৈছে আৰু centre টি অতি শীঘ্ৰেই ব্যৱসায়িকভাৱে কাৰ্যক্ষম হৈ উঠিব বুলি আশা কৰিছো।

অসম পেট্ৰ'কেমিকেলচ্ লিমিটেডে ইয়াৰ সম্পত্তি, সম্পদ, পৰিৱেশ সুৰক্ষা আৰু উদ্যোগটিত নিয়োজিত হৈ থকা কৰ্মচাৰীসকলৰ সু-স্বাস্থ্য ৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি আহিছে। আমি পৰিৱেশ ৰক্ষা আৰু কৰ্মচাৰীৰ স্বাস্থ্যসন্মত পৰিৱেশ প্ৰদানৰ বাবে বদ্ধপৰিকৰ আৰু এইক্ষেত্ৰত আমি যথোপযোগী নীতি গ্ৰহণ কৰিছো। আপোনালোকৰ এই প্ৰতিষ্ঠানটোৱে পাৰিপাৰ্শ্বিকতাত নিৰ্গমিত হোৱা Green House Gas ৰ ওপৰত যথেষ্ট সৰ্তক আৰু আমি ইয়াক কম কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈ আহিছো। বিগত বৰ্ষবোৰত আপোনালোকৰ প্ৰতিষ্ঠানটোক পৰিৱেশ সংৰক্ষণ আৰু দুৰ্ঘটনা ৰোধৰ বাবে সজাগতামূলক

সভা আয়োজন কৰি আহিছো আৰু ইয়াৰ ভাল ফলা-ফল পাবলৈ সক্ষম হৈছো। আপোনালোকৰ এই প্ৰতিষ্ঠানটোৱে স্বাস্থ্য, সুৰক্ষা আৰু পৰিৱেশ সম্পৰ্কীয় সকলো বিধি যথাযথভাৱে পালন কৰি আহিছে।

অংশীদাৰসকল, অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেড হৈছে এটা দায়িত্বশীল ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান। ই সামাজিক দায়বদ্ধতা অতি দায়িত্বসহকাৰে যোৱা বছৰবোৰত পালন কৰি আহিছে। আমাৰ সামাজিক দায়বদ্ধতা নীতি অনুসৰি শিক্ষাখণ্ডত কিছু কাম-কাজ কৰো। যোৱা তিনিবছৰত এই কোম্পানীটোৱে লোকচানৰ সন্মুখীন হোৱাৰ বাবে আমাৰ সামাজিক দায়বদ্ধতাৰ খৰছ কিছুপৰিমানে স্থবিৰ হৈ পৰিছে।

শ্ৰদ্ধাৰ অংশীদাৰসকল, মই আপোনালোকক জনাবলৈ পাই সুখী অনুভৱ কৰিছো যে, যোৱা বিত্তীয় বৰ্ষ ২০২৪-২৫ ত আমাৰ ঔদ্যোগিক বাতাবৰণ সৌহাদ্যমূলক আছিল। আমাৰ কৰ্মচাৰী সংঘ আৰু বিষয়াসকলৰ এচ'চিয়েচনে উত্থাপন কৰা দাবী ওজৰ-আপত্তিবোৰ আলোচনাৰ মাধ্যমেৰে সৰ্বসন্মতিক্ৰমে নিষ্পত্তি কৰা হৈছে।

অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেড যোৱা বৰ্ষটোত সন্মুখীন হোৱা লোকচানৰ বাবে সঞ্চালক মণ্ডলীয়ে কোনে লভ্যাংশ বিতৰণৰ বাবে পৰামৰ্শ আগবঢ়াব নোৱাৰিলে। আমি আশাবাদী যে, APL ৰ সুদিন সোনকালেই উভতি আহিব আৰু আমি আপোনালোকক লভ্যাংশ (Dividend) প্ৰদান কৰিবলৈ সক্ষম হ'ম।

শ্ৰদ্ধাৰ অংশীদাৰসকল, বৰ্দ্ধিত কেঁচামাল অৰ্থাৎ প্ৰাকৃতিক গেছৰ অভাৱনীয় মূল্য বৃদ্ধিয়ে আমাৰ কোম্পানীৰ সন্মুখত বৃহৎ প্ৰত্যাহ্বান হিচাপে থিয় হোৱাৰ বিপৰীতে বৰ্তমান অৱস্থাত খৰছৰ পৰিমাণ হ্ৰাস কৰি উপাৰ্জন বৃদ্ধিৰ বাবে বিভিন্ন কৌশল ৰচনা কৰি বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ বাদে আমাৰ হাতত কোনো বিকল্প নাই। ৰাজসাহাৰ্য যুক্ত প্ৰাকৃতিক গেছৰ যোগান আৰু প্ৰাকৃতিক গেছৰ ওপৰত আৰোপিত VAT ৰ পৰা ৰেহাইৰ বাবে আমি চৰকাৰৰ ওচৰত আবেদন-নিবেদন জনাই আহিছো। আশা কৰিছো কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব।

উপাৰ্জন বৃদ্ধিৰ বাবে বাংলাদেশলৈ উৎপাদিত সামগ্ৰী নিয়মীয়াকৈ প্ৰেৰণ কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছো। স্থলপথেৰে সামগ্ৰী প্ৰেৰণৰ সমান্তৰালকৈ জলপথেৰে বাংলাদেশ, কলকাতালৈ সামগ্ৰী প্ৰেৰণ কৰি পৰিবহন ব্যয় হ্ৰাস কৰি অধিক উপাৰ্জনৰ পথ প্ৰশস্ত কৰিবলৈ স্থিৰ কৰিছো।

আমি আশাবাদী আৰু আত্মবিশ্বাসী আমাৰ সন্মুখত দেখা দিয়া সকলো প্ৰত্যাহ্বান নেওচি অসম পেট্ৰ'-কেমিকেলচ্ দেশৰ ভিতৰত এক অগ্ৰণী উদ্যোগৰূপে ইয়াক ভৱিষ্যমুখী কৰি তুলিবলৈ সক্ষম হ'ম।

কোম্পানী আইন ১৩৯ (৫) নং বিধি অনুসৰি ভাৰতবৰ্ষৰ নিয়ন্ত্ৰক আৰু মহানিৰীক্ষকে মহোদয়ে Parik & Co. চাৰ্টাৰ্ড একাউন্টেন্টক আপোনালোকৰ এই কোম্পানীটোৰ হিচাব পৰীক্ষক হিচাপে নিযুক্তি দিছিল আৰু সেই অনুসৰি তেওঁলোকে আমাৰ প্ৰতিস্থানটোৰ যোৱা বিত্তীয় বৰ্ষৰ হিচাব পৰীক্ষণ কৰি প্ৰতিবেদন আগবঢ়াইছে। আমি তেওঁলোকৰ প্ৰতিবেদন আৰু বিত্তীয়বৰ্ষটোৰ আয় ব্যয়ৰ হিচাব অৰ্থাৎ Financial Statements আপোনালোকৰ বিবেচনা আৰু ৫৪ সংখ্যক বাৰ্ষিক সাধাৰণসভাত গৃহীত কৰিবলৈ আহ্বান জনাইছো।

শেষত মই আমাৰ সঞ্চালক মণ্ডলীৰ হৈ আমাৰ এই প্ৰতিস্থানটোত কৰ্মৰত প্ৰতিজন বিষয়া কৰ্মচাৰীক অশেষ ধন্যবাদ কৃতজ্ঞতা জনাইছো।

মই আমাৰ সঞ্চালক মণ্ডলীৰ প্ৰতিজন সদস্য / সদস্যাকে যোৱা বিত্তীয় বৰ্ষটোত কোম্পানীৰ কাম-কাজবোৰ নিয়াৰিকৈ সম্পন্ন কৰাত নীতি নিৰ্ধাৰণ আৰু প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেডৰ পৃষ্ঠপোষক ক্ৰমে অসম চৰকাৰ, অইল ইণ্ডিয়া লিমিটেড, অসম ঔদ্যোগিক উন্নয়ন নিগম, অসম গেছ কোম্পানী লিমিটেডক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

এইচেগতে, আমি আমাক প্ৰয়োজনীয় বিজুলি যোগান ধৰা Assam Power Distribution Company Ltd. ক আমি আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

Power Finance Corporation Ltd., অসম গ্ৰামীন উন্নয়ন বেংক, ICICI Bank, পাঞ্জাৱ নেচনেল বেংক আদিক আমাৰ প্ৰয়োজনীয় ঋণ আৰু বিত্তীয় লেনদেন সমূহ সম্পন্ন কৰাত যোৱা বিত্তীয় বৰ্ষটোত আগবঢ়োৱা সেৱাৰ বাবে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

আমাক বিভিন্ন সময়ত দিহা- পৰামৰ্শ আৰু গঠনমূলক সমালোচনা কৰি অহা প্ৰচাৰ মাধ্যমৰ সাংবাদিক বন্ধুসকলক মই কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত, অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেডৰ প্ৰতিজন অংশীদাৰক মোৰ আন্তৰিক ধন্যবাদ জনাই শাৰদীয় দুৰ্গোৎসৱৰ আগতীয়া শুভেচ্ছা জনাই মোৰ অধ্যক্ষৰ ভাষণ ইয়াতে সামৰণি মাৰিছো।

ইয়াৰ লগে লগে মই অধ্যক্ষৰ ভাষণ ইংৰাজীত  পাঠ কৰিবলৈ আগবাঢ়িছো।

**ধন্যবাদ,**
**জয় অসম পেট্ৰ'-কেমিকেলচ্**
**জয়হিন্দ**
**জয় আই অসম।।**